# অনুবাদ আৰু সংবাদ

সংবাদ মাধ্যমসমূহ জনসাধাৰণৰ এৰাব নোৱাৰা অংগস্বৰূপ হৈ পৰিছে। কিয়নো এইবোৰ হ'ল জনসংযোগৰ অন্যতম মাধ্যম, যাৰ জৰিয়তে বিশ্বৰ বিভিন্ন খবৰ সকলোৱে লাভ কৰিব পাৰে। সংবাদ মাধ্যমৰ গুৰুত্ব দিনে দিনে বাঢ়ি আহিছে। এককথাত ক'বলৈ হ'লে, জনসংযোগৰ এই মাধ্যমসমূহে দেশ তথা সমাজত বিপ্লৱৰ সূচনা কৰিব পাৰে।

ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বা-বাতৰি অনুবাদৰ জৰিয়তে বিভিন্ন দেশৰ জনসাধাৰণে লাভ কৰে। যথাৰ্থতে সংবাদ মাধ্যমসমূহ হ'ল অনুবাদৰ একো একোখন বিস্তৃত ক্ষেত্ৰ। কিন্তু সংবাদ অনুবাদ অনুবাদ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত কিছু সীমাবদ্ধতা থাকে। কিয়নো আন বিভিন্ন ক্ষেত্ৰৰ অনুবাদ প্ৰক্ৰিয়াতকৈ সংবাদ অনুবাদৰ প্ৰকৃতি কিছু ভিন্ন। সমগ্ৰ অনুবাদ প্ৰক্ৰিয়াটো যিকেইটা স্তৰৰ মাজেৰে সম্পন্ন কৰা হয়, সংবাদ অনুবাদৰ ক্ষেত্ৰত ইয়াত কিছু সমস্যাই দেখা দিয়ে। কাৰণ, অনুবাদ প্ৰক্ৰিয়াৰ সমগ্ৰ পৰ্যায় অৰ্থাৎ পাঠ-পঠন আৰু অৰ্থ গ্ৰহণ, পাঠ বিশ্লেষণ, ভাষান্তৰণ বা অন্তৰণ, পুনঃগঠন, উৎস পাঠ আৰু লক্ষ্য পাঠৰ তুলনা আদি স্তৰকেইটা অতিক্ৰম কৰিবলৈ সততে কিছু সময়ৰ আৱশ্যক, কিন্তু সংবাদ অনুবাদৰ ক্ষেত্ৰত এনে দীৰ্ঘ সময়ৰ অভাৱ ঘটে।

"অনুবাদ স্বচ্ছ হ'ব লাগে, ভাল হ'ব লাগে, বিশ্বাসযোগ্য হ'ব লাগে, পাঠকৰ হৃদয়গ্ৰাহী হ'ব লাগে। ইয়েই অনুবাদৰ প্ৰথমিক চৰ্ত।" (ভবেন্দ্ৰ কলিতা, অনুবাদ তত্ত্ব, পৃ.৭৩)। অথচ তাৎক্ষণিকভাৱে অনুবাদ কাৰ্য সম্পাদন কৰি বাতৰি প্ৰস্তুত কৰিবলগীয়া দিশটোৱেই হ'ল সংবাদ অনুবাদৰ এক গুৰুত্বপূৰ্ণ সমস্যা। ছপা মাধ্যমৰ ক্ষেত্ৰত বাতৰিটোৱে কিমান ঠাই আগুৰিব পাৰিব, এনে কিছুমান সীমাবদ্ধতাৰ কথা আহি পৰে। আকৌ, বৈদ্যুতিন মাধ্যমৰ সংবাদৰ ক্ষেত্ৰত কিমান সময়ৰ ভিতৰত বাতৰিটো শেষ কৰিব লাগিব তাৰ এক নিৰ্দিষ্ট মাপকাঠী থাকে আৰু তেনে নিৰ্ধাৰিত সময় অনুযায়ীহে বাতৰিটো প্ৰকাশ হয়। এনেক্ষেত্ৰত কম সময়ৰ ভিতৰতে নিৰ্দিষ্ট ৰীতি অনুসৰি অনুবাদ কাৰ্য সম্পন্ন কৰোঁতে মূলৰ কোনো গুৰুত্বপূৰ্ণ অংশ ৰৈ যোৱাৰ সম্ভাৱনা থাকে। অথচ এনে দৰকাৰী অংশ বাদ পৰিলে নিশ্চিতৰূপত সংবাদৰ গ্ৰহণযোগ্যতাও হ্ৰাস পাব আৰু কেতিয়াবা তেনে সংবাদে সমাজত নেতিবাচক প্ৰভাৱ পেলাব পাৰে।

ভাৰতবৰ্ষত বিভিন্ন প্ৰাদেশিক ভাষাত সংবাদ পত্ৰ প্ৰকাশ পায়। দেশৰ বিভিন্ন স্থানত সভা-সমিতি, উৎসৱ-অনুষ্ঠান আদি ইংৰাজীতে অনুষ্ঠিত হয় আৰু এনেবোৰ অনুষ্ঠানৰ বাতৰিসমূহ ইংৰাজীতে টাইপ কৰি বাতৰি কাকতৰ কাৰ্যালয়লৈ পঠোৱা হয়। এনে ক্ষেত্ৰত সাংবাদিকসকলে নিজৰ নিজৰ আঞ্চলিক ভাষালৈ বাতৰিসমূহ অনুবাদ কৰি সমগ্ৰ সংবাদ অনুবাদৰ প্ৰক্ৰিয়াটো যথেষ্ট ক্ষিপ্ৰতাৰে সম্পন্ন কৰে। বৈদ্যুতিন মাধ্যমৰ ক্ষেত্ৰতো

এনেদৰে তাৎক্ষণিকভাৱে অনুবাদ কাৰ্য সম্পন্ন হয়। গতিকে এই প্ৰক্ৰিয়াটোত অনুবাদক তথা সংবাদদাতাৰ ভাষা জ্ঞান আৰু অনুবাদ দক্ষতাৰ ওপৰত সমগ্ৰ বিষয়টো নিৰ্ভৰ কৰে। তদুপৰি দেখা যায় যে, বৈদ্যুতিন মাধ্যমৰ ক্ষেত্ৰত এনেধৰণৰ গুৰুত্বপূৰ্ণ সভা-সমিতি অথবা অনুষ্ঠানৰ কেতিয়াবা পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। দেশৰ প্ৰধানমন্ত্ৰী-ৰাষ্ট্ৰপতিৰ কোনো গুৰুত্বপূৰ্ণ ঘোষণা, অথবা অন্যান্য দপ্তৰত থকা কেন্দ্ৰীয় অথবা ৰাজ্যিক মন্ত্ৰীৰ গুৰুত্বপূৰ্ণ ঘোষণাও লগে লগে প্ৰাদেশিক ভাষালৈ অনুবাদ কৰি জনসাধাৰণৰ উদ্দেশ্যে প্ৰচাৰ কৰা হয়। এনে প্ৰেক্ষাপটত যথেষ্ট দক্ষতাসম্পন্ন অনুবাদকৰ প্ৰয়োজন। ইয়াৰ অন্যথাই প্ৰকৃত সংবাদৰ বিচ্যুতি ঘটাৰ সম্ভাৱনা অধিক। অনুবাদ কাৰ্য এক জটিল প্ৰক্ৰিয়া, অথচ তাৰ মাজতে সংবাদ অনুবাদৰ ক্ষেত্ৰত তাৎক্ষণিক অনুবাদ কাৰ্য সম্পাদন কৰিব লগা দিশটোৱে ইয়াৰ জটিলতা তথা সীমাবদ্ধতাকে সূচিত কৰে।

সংবাদ মাধ্যমসমূহ যিহেতু জনসংযোগৰ এক গুৰুত্বপূৰ্ণ মাধ্যম, অনুবাদৰ সহায়তে দেশ-বিদেশৰ বিভিন্ন বা-বাতৰিসমূহ জনসাধাৰণে লাভ কৰিবলৈ সক্ষম হয়। গতিকে এইক্ষেত্ৰত সংবাদৰ গহণযোগ্যতা আৰু আকৰ্ষণীয়তাৰ ওপৰত অনুবাদকে বিশেষভাৱে গুৰুত্ব দিয়া উচিত। তদুপৰি মূল বাতৰিটোৰ পৰাই সংবাদদাতা তথা অনুবাদকজনে প্ৰাদেশিক ভাষাত বিষয়টোৰ নামকৰণ কৰি সংবাদ অতি কম সময়ত সংবাদ প্ৰস্তুত কৰে। গতিকে এইক্ষেত্ৰত অনুবাদকজন অত্যন্ত সাৱধান হৈ বাতৰিটোৰ কোনো অংশ যাতে বাদ নপৰে সেই দিশটোৰ প্ৰতিও সতৰ্ক দৃষ্টিভংগী নিক্ষেপ কৰিব লাগে। সংবাদ অনুবাদৰ ক্ষেত্ৰত মূলতঃ শাব্দিক অনুবাদৰে প্ৰয়োজনীয়তা আছে। এইপ্ৰকাৰ অনুবাদত মূলৰ প্ৰতিটো শব্দৰ অৰ্থৰ অনুবাদৰ প্ৰতি অনুবাদক সংবাদদাতাই সতৰ্ক দৃষ্টি নিক্ষেপ কৰে।

সাহিত্যৰ বিভিন্ন দিশ যেনে কবিতা, উপন্যাস, চুটিগল্প, নাটক আদিৰ দৰে সংবাদ অনুবাদৰ স্বৰূপ বা প্ৰকৃতি একে বুলিব নোৱাৰি। কিয়নো সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত সময়ৰ যি ধাৰণা, সংবাদৰ অনুবাদৰ ক্ষেত্ৰত ই সম্পূৰ্ণ পৃথক। সংবাদ অনুবাদ অনুবাদকৰ নিজস্ব সময় অনুযায়ী কৰিব নোৱাৰি। সংবাদ পত্ৰৰ ক্ষেত্ৰত দেখা যায় যে কাকতৰ কাৰ্যালয়লৈ অহা বাতৰিসমূহ অনুবাদকে ৰাতিৰ ভিতৰতে অনুবাদ কৰি নিজৰ নিজৰ প্ৰাদেশিক ভাষাত প্ৰস্তুত কৰিবলগা হয়। গতিকে অতি কম সময়ৰ ভিতৰত সংবাদ অনুবাদকাৰীজনে বাতৰিটো পাঠকৰ সমুখত গ্ৰহণযোগ্য ৰূপত দাঙি ধৰিব লাগে। অনুবাদকজনে ইয়াত অত্যন্ত সাৱধানেৰে নিজৰ কাৰ্য সম্পন্ন কৰে। ইয়াৰ অন্যথাই বাতৰিটোটোৰ সত্যতা নোহোৱা হৈ সমাজত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিব পাৰে আৰু তেনে সংবাদ মাধ্যমৰ প্ৰতি জনসাধাৰণৰ আস্থা হেৰাই যোৱাৰ সম্ভাৱনাই অধিক।

সংবাদ পত্ৰত বিভিন্ন বিষয়ৰ বাতৰিৰ লিখন শৈলীৰ ভিন্নতা আছে। “বাতৰি কাকতলৈ বিভিন্ন বিষয়ৰ বাতৰি আহে। বিষয় অনুসৰি বাতৰি পৰিৱেশনৰ ভাষা-শৈলী বেলেগ ধৰণৰ হয়। খেল-ধেমালি, আৰ্ন্তৰাষ্ট্ৰীয়

ৰাজনীতি, চৰকাৰী বিষয়, মৰাপাটৰ উৎপাদন বৃদ্ধি, বিজ্ঞানৰ আৱিষ্কাৰ-আলোচনা এই সকলো ধৰণৰ বিষয়ৰ বাতৰি পৰিৱেশনৰ ভাষা একে নোহোৱাৰ উপৰিও প্ৰত্যেক বিষয়ৰ নিজা কিছুমান পাৰিভাষিক শব্দ আছে। গতিকে সংবাদসাহিত্যৰ অনুবাদকৰ ক্ষেত্ৰত বিভিন্ন বিষয় তথা সেই সম্পৰ্কীয় বিশেষ ভাষা-শৈলী আৰু পাৰিভাষিক শব্দাৱলীৰ জ্ঞানৰ আৱশ্যকতা অন্য সকলো বিষয়ৰ অনুবাদতকৈ বেছি।” (নীৰাজনা মহন্ত বেজবৰা, অনুবাদ তত্ত্ব আৰু প্ৰয়োগ, পৃ.১৪৮)। ৰয়টাৰ, ইউ.এন.এ. আদি বাতৰি প্ৰতিষ্ঠানৰ নিজা নিজা অনুবাদ বিভাগ আছে। বিভিন্ন কাকত-আলোচনীৰ কাৰ্যালয়ত অনুবাদকে নিজৰ কৰ্তব্য পালন কৰি আছে। কিন্তু সকলো সংবাদ মাধ্যমৰ ক্ষেত্ৰত অনুবাদৰ তেনেকুৱা বিশেষ শাখা নাথাকে আৰু সাংবাদিকেই অনুবাদকৰ ভূমিকা পালন কৰে। প্ৰযোজকে বিষয়টো নিয়ন্ত্ৰণ কৰে আৰু সেই অনুসৰি সংবাদ একোটা প্ৰকাশ পায়। বাতৰি এটা অনবাদ কৰোঁতে মূল বিষয়ৰ গুৰুত্বপূৰ্ণ অংশৰে শীৰ্ষকো প্ৰস্তুত কৰিব লাগে। শীৰ্ষক, উপশীৰ্ষকে যাতে সমগ্ৰ বাতৰিটোৰ সম্যক ধাৰণা দিব পাৰে সেই দিশটোৰ প্ৰতিও অনুবাদক সতৰ্ক হোৱা উচিত। গতিকে এইক্ষেত্ৰত সমগ্ৰ বিষয়টো অনুধাৱন কৰি মূল বাতৰিৰ হানি-বিঘিনি নঘটাকৈ সংবাদ অনুবাদকাৰীজনে নিজস্ব সৃজনীশীলতাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত বাতৰি এটা প্ৰস্তুত কৰি উলিওৱাটো স্বাভাৱিকতে সহজ কথা নহয়।

এককথাত ক'বলৈ হ'লে সাম্প্ৰতিক সময়ত অনুবাদৰ যথেষ্ট প্ৰসাৰ ঘটিছে আৰু বিভিন্ন সংবাদ মাধ্যমৰ দ্ৰুত উন্নতিয়ে অনুবাদৰ ব্যাপ্তিত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অনুবাদৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তৰ খবৰ কম সময়তে সংবাদ মাধ্যমে দাঙি ধৰে। উন্নত যোগাযোগ তথা ভাব বিনিময়ৰ এক অপৰিহাৰ্য অংগ হৈছে অনুবাদ। গতিকে এইক্ষেত্ৰত সংবাদ মাধ্যম, সাংবাদিক-অনুবাদক আদি সকলোৰে নিজস্ব দায়িত্ব আছে আৰু এই দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ ওপৰতে সংবাদ অনুবাদ প্ৰক্ৰিয়াৰ সাৰ্থকতা নিৰ্ভৰ কৰে।